অসম বিধান সভা
উত্তৰদানৰ তাৰিখ- ২২/০৭/২০২৬
তৰাবিহীন প্ৰশ্ননং- ৪২৭
*বিষয়ঃ* অসম-বাংলাদেশ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ।
বিধায়িকা - শ্ৰীমতী বেবী বেগম ঃ

মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰত-বাংলাদেশ সীমান্ত এলেকাৰ মুঠ দৈৰ্ঘ্য কিমান কিলোমিটাৰ ? ইয়াৰে কিমান কিলোমিটাৰ এলেকা অসমৰ ভৌগোলিক পৰিসৰে সামৰি লৈছে ? (বিস্তৃত তথ্যসহ দিব ।)

(খ) ভাৰত-বাংলাদেশ সীমান্তৰ অসমৰ ভৌগোলিক পৰিসৰৰ মাজত থকা কিমান কিলোমিটাৰ এলেকাত ইতিমধ্যে কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে ? বাকীখিনি অঞ্চলত কিমান দিনৰ ভিতৰত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰা হ'ব? (বিস্তৃত তথ্যসহ দিব ।)

(গ) নদীসহ দুৰ্গমতাজনিত কাৰণত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰিব নোৱাৰা এলেকাত চোৰাংভাৱে অপৰাধী চক্ৰৰ যাতায়ত কঠোৰভাৱে বন্ধ কৰিবলৈ চৰকাৰ দায়বদ্ধ নে ? এই ক্ষেত্ৰত কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্যসহ দিব ।)

(ঘ) ভাৰত-বাংলাদেশ সীমান্ত এলেকাত থকা অসমসহ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে পশ্চিমবঙ্গৰ এশ শতাংশ এলেকাত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰি বাংলাদেশৰ অপৰাধী চক্ৰৰ যাতায়ত তথা অনুপ্ৰৱেশ বন্ধ কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰয়োগ কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিব নে ? (বিস্তৃত তথ্যসহ দিব)

<u>উত্তৰ</u>

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।

(ক) ভাৰত-বাংলাদেশ সীমান্তত ভাৰতৰ পশ্চিমবঙ্গ, অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যবোৰ অৱস্থিত । ইয়াৰে অসম-বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্য ২৬৭.৫ কি.মি. (Survey of India ৰ তথ্য অনুসৰি) অসমৰ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি জিলাৰ লগত সংলগ্ন হৈ আছে।

(খ) ভাৰত -বাংলাদেশ সীমান্তৰ অসমৰ ভৌগোলিক পৰিসৰৰ মাজত থকা ২২৮.৫৪১ কি.মি দৈৰ্ঘ্যত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে । বাকী থকা মুঠ ৩৮.৯৫৯ কি.মি. দৈৰ্ঘ্যৰ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ৩৪.৬০৯ কি.মি দৈৰ্ঘ্য নদী অঞ্চল হোৱা বাবে আৰু শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা ৪.৩৫ কি.মি. দৈৰ্ঘ্য Border Guard Bangladesh (BGB) ৰ আপত্তিৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই আৰু এই সীমা-সম্পূৰ্ণৰূপে ৰুদ্ধ (Seal) কৰাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ।

(গ) নদী অঞ্চলত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰাটো ভৌগোলিক কাৰণত কঠিন হোৱাৰ বাবে তাত উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি মুক্ত হৈ থকা নদী অঞ্চল সমূহত Border Security force এ Comprehensive Integrated Border Management System (CIBMS) ৰ মাধ্যমেৰে তথা নৌকা পৰ্যবেক্ষণ চকী স্থাপন কৰি নিয়মীয়া ভাৱে জল ভাগ নিৰীক্ষণ কৰি আহিছে, লগতে নিৰীক্ষণ চকী (OP), বাহন আৰু যন্ত্ৰ চালিত নাওঁৰে টহল, CCTV, PTZ কেমেৰা আৰু water wing ৰ সহায়ত নিয়মীয়া টহল চলাই আছে । ইয়াৰ উপৰিও বাকী থকা সীমাৰ শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰৰ ৪.৩৫ কি:মি: দৈৰ্ঘ্যৰ অংশ Border Guard Bangladesh (BGB) ৰ আপত্তিৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই যদিও উক্ত স্থানত মোতায়ন কৰা BSF এ টহলদাৰী কৰি নিৰাপত্তাৰ ব্যৱস্থা কৰি আছে।

(ঘ) ভাৰত -বাংলাদেশ সীমান্ত এলেকাত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কাৰ্য্য কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগৰ অধীনত।

ভাৰত -বাংলাদেশ সীমান্তত থকা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে পশ্চিমবঙ্গৰ সীমাৰ এলেকাত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ দ্বাৰা বাংলাদেশৰ অপৰাধী চক্ৰৰ যাতায়ত তথা অনুপ্ৰৱেশ ৰোধ কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰাৰ বাবে বিবেচনাধীন হৈ আছে।

বিঃদ্ৰঃ - উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

********